# পাতনি

বয়স পঞ্চলিশ দিন হওতেই আমাৰ ঘৰলৈ আমাৰ মৰমৰ  ক'ক আহিছিল। তাৰ পাচত ক'ক আমাৰ পৰিয়ালৰ সদস্য হোৱাৰ লগতে আমাৰ জীৱনৰ অবিশ্যদ্য অংগ হৈ পৰিছিল। কবলৈ গ'লে ক'ক আমাৰ ঘৰৰ কেন্দ্ৰ বিন্দু হৈ পৰিছিল আৰু মোৰ ছোৱালী বনু, মোৰ পত্নী মিতালি আৰু মই তিনিও এই কেন্দ্ৰৰ চাৰিওফালে ঘূৰি আমাৰ  জীৱন আগবঢ়াই নিছিলো। আমাৰ সুখ, দুখ, আনন্দ, বিষাদ সকলোৰে সমভাগী হৈ পৰিছিল ক'ক। ক'কৰ জীৱনৰ সচা কাহিনীয়েই হ'ল Coco The Wonder Pug গ্ৰন্থখনিৰ কাহিনী আৰু কিতাপ খনৰ মূল চৰিত্ৰ হ'ল আমাৰ মৰমৰ  ক'ক, মোৰ পত্নী মিতালি আৰু মোৰ ছোৱালী বনু। ফেচবুকত ধাৰাবাহিক ভাবে প্ৰকাশ হোৱা ক'কৰ কাহিনী বহুতো পাঠকে ভালপোৱা বাবে কিতাপ আকাৰে প্ৰকাশ কৰি উলিওৱা  হ'ল। আশাকৰো সকলো বয়সৰ পাঠকেই ক'কৰ সচা কাহিনী পঢ়ি ভাল পোৱাৰ লগতে আন কুকুৰকো জীৱ হিচাবে নায্য মৰম আদৰ দিয়াত কৃপণালি নকৰিব।

**দেৱজিৎ ভূঞা**

**গুৱাহাটী**

**২৪/০৪/২০২১**

# <u>উৎসৰ্গা</u>

গুৰু জনাই কৈ গৈছিল "কুকুৰ শৃগাল গৰ্ধবৰো আত্মা ৰাম, জানিয়া সবাকো পাৰি কৰিবা প্ৰমাণ"। 'যত জীৱ তত শিৱ' কথাষাৰ গুৰু জনাই ইয়াৰ জৰিয়তে সকলোকে বুজাই থৈ যোৱাৰ লগতে biodiversity আৰু ecological balance অবিবনে মানুহৰ অস্তিত্ব সম্ভব নহয় বুলি অমৰ বাণী দি থৈ গৈছে। যুধিষ্ঠিৰৰ শেষ সংগী আৰু মানুহৰ শ্ৰেষ্ঠ বন্ধু কুকুৰক মহাপুৰুষ শ্ৰী শ্ৰী শংকৰ দেৱে তাহানিতেই মানুহ আৰু আন সকলো জীৱৰ সমান স্থান দি থৈ গৈছে। বিশ্বৰ কোনো ধৰ্মতে এনে নিৰ্দশন পোৱা নাযায়। ইংৰাজী ভাষাতো DOG ওলোটাই পঢ়িলে GOD হয়। গুৰু জনাৰ আদৰ্শেৰে কুকুৰ ভাল পোৱা, কুকুৰৰ আত্মাকো ঈশ্বৰৰ আত্মাৰ অংশ বুলি সন্মান দিয়া প্ৰতিজন কুকুৰ প্ৰেমীৰ হাতত Coco The Wonder Pug তুলি দিলো।

দেৱজিৎ ভূঞা